# দ্বিতীয় অধ্যায়

## ২.০০ সমাজ ভাষাবিজ্ঞান আৰু ভাষাৰ লিংগগত পাৰ্থক্য

সমগ্ৰ মানৱ জাতিক লিংগৰ ভিত্তিত পুৰুষ আৰু নাৰী হিচাপে ভাগ কৰা হয়। নিঃসন্দেহে জৈৱিক কাৰণৰ ভিত্তিত এই পাৰ্থক্য কৰা হয়। কিন্তু, এই পাৰ্থক্যই দুয়ো লিংগৰ মাজত আন বহুতো পাৰ্থক্যৰ জন্ম দিয়ে। যেনে—কৰ্ম, লক্ষ্য-উদ্দেশ্য, আশা-আকাংক্ষা, দায়িত্ব, সাজ-পাৰৰ ধৰণ, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম ইত্যাদি। প্ৰত্যেক পুৰুষ-নাৰীয়ে একেটা সভ্যতা আৰু সংস্কৃতিক প্ৰতিনিধিত্ব কৰে।

একেখন সমাজতে বসবাস কৰাৰ পাছতো পুৰুষ আৰু নাৰীয়ে একেটা ভাষাকে বেলেগ বেলেগ ধৰণে ব্যৱহাৰ কৰে। বয়সীয়াল আৰু ডেকা-গাভৰু, শিক্ষিত-অশিক্ষিত পুৰুষ-স্ত্ৰীৰ কথা-বতৰাৰ মাজতো পাৰ্থক্য পৰিলক্ষিত হয়। একেখন সমাজতে বাস কৰাৰ পাছতো মহিলা আৰু পুৰুষৰ ভাষাৰ মাজত যি সুকীয়া বৈশিষ্ট্য ফুটি উঠে তাৰ অধ্যয়ন সমাজ-ভাষাবিজ্ঞানত কৰা হয়।

সূক্ষ্মভাৱে লক্ষ্য কৰিলে পুৰুষ আৰু নাৰীৰ ভাষাৰ মাজত কিছুমান শব্দগত পাৰ্থক্য পৰিলক্ষিত হয়। মূলতঃ সামাজিক এই কাৰণ সমূহৰ স'তে অৱশ্যে মানসিক, শাৰীৰিক কাৰকো জড়িত হৈ আছে।

### ২.০১ আত্মীয়তাবাচক শব্দ ঃ

নাৰী আৰু পুৰুষৰ আত্মীয়তাবাচক শব্দবোৰৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। পাৰস্পৰিক অৱস্থানৰ পাৰ্থক্যৰ বাবেই হয়তো একেবোৰ সম্বন্ধৰ নাম পুৰুষ আৰু নাৰীৰ বাবে বেলেগ বেলেগ হয়।

| **নাৰী** | **পুৰুষ** |
|---|---|
| স্বামীৰ পিতৃ-দেউতা | পত্নীৰ পিতৃ-শহুৰ দেউতা |
| স্বামীৰ মাতৃ-মা | পত্নীৰ মাতৃ-শাহু মা |
| স্বামীৰ ভায়েক-দেওৰ | পত্নীৰ ভায়েক-খুলশালী |

| | |
|---|---|
| স্বামীৰ ভনীয়েক-ননদ | পত্নীৰ ভনীয়েক-খুলশালী |
| স্বামীৰ ককায়েক-বৰজনা | পত্নীৰ ককায়েক-শালপতি |
| স্বামীৰ ককায়েকৰ পত্নী- জা | |
| স্বামীৰ বায়েক-জেশাহু | |

**২.০২ ৰংবাচক শব্দ ঃ**

ৰবীন লেকফে লক্ষ্য কৰিছিল যে মহিলাই বিভিন্ন ৰং বুজাবলৈ যিমান শব্দ ব্যৱহাৰ কৰে পুৰুষে সিমান নকৰে। পুৰুষে নাৰীৰ সমানভাৱে ৰঙৰ পাৰ্থক্য বুজিব নোৱাৰে। কোনো পুৰুষে এটা ৰঙৰ বিভিন্ন ভাগবোৰৰ পাৰ্থক্য চিনিব পাৰি তাৰ ব্যৱহাৰ কৰিলে, সি সমাজৰ বাবে হাস্যৰসৰ কাৰণহে হৈ উঠে। সেয়েহে ৰবীন লেকফে এই ক্ষেত্ৰত ধেমালি কৰি কৈছিল, '... one might well conclude he was imitating a woman sarcastically or was a homosexual or an interlor decorator.' (Lakoff 2) উদাহৰণ স্বৰূপে—নাৰী আৰু পুৰুষক যদি 'গুলপীয়া' ৰঙটো চিনাক্ত কৰিবলৈ দিয়া হয় তেন্তে পুৰুষে সাধাৰণভাৱে 'গুলপীয়া' বুলি কৈয়ে সামৰিব, কিন্তু মহিলাগৰাকীয়ে ডাঠ গুলপীয়া, পাতল গুলপীয়া, পিয়াজী আদি কোনটো গুলপীয়া হয় তাক নিৰ্দিষ্টকৈ দেখুৱাই দিব। ইংৰাজী ভাষা জনা কোনো মহিলা হ'লে Baby Pink, Sharp Pink আদি ভাগবোৰো চিনাক্ত কৰি উলিয়াব। ঠিক একেদৰে সেউজীয়া ৰঙৰ বিভিন্ন ভাগ যেনে—কলপটীয়া, ভাটৌৰঙী, পাতল সেউজীয়া, ডাঠ সেউজীয়া আদি ৰংবোৰ মহিলাই চিনাক্ত কৰিব পাৰে। সাধাৰণ মহিলা এগৰাকীয়ে এই পাৰ্থক্যসমূহ সহজেই বুজি পোৱাৰ বিপৰীতে পুৰুষে বিশেষ প্ৰয়োজনতহে এই সমূহ পাৰ্থক্যত গুৰুত্ব দিয়ে। বিশেষকৈ জীৱিকাৰ প্ৰয়োজনত চিত্ৰকৰ, Interior decorator, wedding decorator আদিয়ে এনেধৰণৰ পাৰ্থক্যত গুৰুত্ব দিয়ে।

**২.০৩ বাক্যালংকাৰ জাতীয় শব্দ বা শব্দাংশৰ ব্যৱহাৰ ঃ**

মহিলাই মূল বাক্যৰ স'তে প্ৰায়ে এনে কিছুমান শব্দ বা শব্দাংশ ব্যৱহাৰ কৰে যিবোৰ মূল বাক্যৰ অৰ্থৰ সৈতে সম্পৰ্কযুক্ত নহয়। উদাহৰণ স্বৰূপে—

'আই অ' দেহিহ্লু ইমান মৰমলগা ছোৱালী।' একেটা বাক্যকে পুৰুষে ক'ব এনেদৰে—

'ছোৱালীজনী মৰমলগা।'

কোনো কোনো মহিলাই দ্বিতীয় বাক্যটো ব্যৱহাৰ কৰিব। কিন্তু, কোনো পুৰুষে প্ৰথম বাক্যটো ব্যৱহাৰ নকৰে। ইয়াৰ দ্বাৰা এইটোৱে প্ৰমাণিত হয় যে, মহিলাই পুৰুষৰ ভাষা কেতিয়াবা গ্ৰহণ কৰিলেও পুৰুষে মহিলাৰ ভাষা ব্যৱহাৰ বা গ্ৰহণ নকৰে। এনে ধৰণৰ বাক্যলংকাৰ জাতীয় শব্দ বা শব্দাংশবোৰ তলত দিয়া ধৰণৰ—

অ' আই, আই ঐ দেহি, হায় হায়, ও আই, উ মা, ইচ ৰাম, উহ্ হৰি, হে ভগৱান, ছিঃকটা, আই-চিকোহো, আইলা পচুল, ইয়া আই, ইয়ে ৰাম, হে প্ৰভু ইত্যাদি।

এনে শব্দাংশসমূহ মহিলাৰ ভাষাতহে বেছিকৈ পৰিলক্ষিত হয়। বৰ্তমানৰ শিক্ষিত মহিলাসকলৰ মাজত এই শব্দাংশসমূহৰ প্ৰয়োগ আগতকৈ কমিছে যদিও একেবাৰে নোহোৱা হৈ যোৱা নাই।

**২.০৪ শিশুভাষাৰ শব্দাৱলীৰ ব্যৱহাৰ আৰু তাৰ সংৰক্ষণ ঃ**

পিতৃতকৈ মাতৃৰ স'তে শিশুৰ সম্পৰ্ক অধিক ওচৰ চপা। জন্ম দিয়াৰ পৰা খুৱাই-বুৱাই প্ৰতিপাল কৰি ডাঙৰ কৰালৈকে শিশু এটাই দিনটোৰ বেছিভাগ সময় মাকৰ লগতেই কটায়। ইয়াৰ ফলত মাতৃৰ ভাষাত বহুসময়ত শিশুভাষাৰ প্ৰভাৱ পৰে। যেনে—শিশুৱে 'দুদু' শব্দটো গাখীৰ বুজাবলৈ ব্যৱহাৰ কৰে। আনহাতে প্ৰাপ্তবয়স্ক মহিলাই 'দুদু' শব্দটো স্তন বুজাবলৈ ব্যৱহাৰ কৰে। শিশুৱে সাধাৰণতে যুক্তাক্ষৰৰ সৰলীকৰণ কৰি শব্দৰ ব্যৱহাৰ কৰে। যেনে—বিস্কুট> বিতকুত, স্কুল> ইচকুল, দুষ্ট> দুচটু। এনে শব্দবোৰ শিশুৰ সংস্পৰ্শত আহিলেই প্ৰায় সকলো মহিলাই স্বাভাৱিকভাৱে ব্যৱহাৰ কৰে। লক্ষণীয় যে শিশুৰ দৰে বাক্ ভংগী ব্যৱহাৰ কৰি মহিলাই শিশুৰ স'তে কথা পাতে। কিন্তু, পুৰুষ এইক্ষেত্ৰত ব্যতিক্ৰম।

**২.০৫ বিশেষণীয় বিশেষণ শব্দৰ প্ৰয়োগ ঃ**

ভাল, বেয়া, ৰঙা, ক'লা আদি শব্দবোৰ জোৰ দি বুজাবলৈ প্ৰায়ে মহিলাসকলে বিশেষণ শব্দবোৰৰ আগত কিছুমান আন বিশেষণীয় বিশেষণ শব্দ ব্যৱহাৰ কৰে। যেনে—ইমান ভাল / খুউব ভাল / মস্ত ভাল / ভীষণ ভাল, কিচ্কিচীয়া ক'লা, টিক্টিকীয়া ৰঙা, চক্চকীয়া বগা, জেলজেলীয়া পাতল ইত্যাদি। কিন্তু, পুৰুষে কথাৰ মাজত এনেধৰণৰ বিশেষণীয় বিশেষণবোৰ খুব কমেই ব্যৱহাৰ কৰে।

**২.০৬ আৱেগ প্ৰকাশিত অতিৰিক্ত শব্দ ঃ**

মহিলাসকল সাধাৰণতে মানসিকভাৱে পুৰুষতকৈ আৱেগিক আৰু নমনীয় হয়। সেয়েহে নাৰীৰ ভাষাত বিভিন্ন পৰিস্থিতিত আৱেগ প্ৰকাশ কৰিবলৈ কিছুমান অতিৰিক্ত শব্দৰ ব্যৱহাৰ কৰা দেখা যায়।

ক) ধেৎহু বাৰে বাৰে কৈ আছো, নুশুন' কিয়?

খ) যাঃহু কিয়নো জোকাই থাক?

গ) ইচ্‌ ইচ্‌হু বৰ বেয়া কথা হ'ল।

ঘ) হে ভগৱানহু তুমি সঁচাকৈ কৈছানে?

ঙ) আই ঐ দেহিহু ল'ৰাটোলৈ বেয়াই লাগে।

বিস্ময়, ক্ৰোধ, বিৰক্তি আদি বিভিন্ন ভাব-বাচক এনে বাক্যসমূহ প্ৰকাশ কৰাৰ বাবে এই শব্দবোৰ সাধাৰণতে মহিলাই ব্যৱহাৰ কৰে। মহিলাৰ মানসিক পৃথিৱীখনত অধিক আৱেগ প্ৰৱণতা থকাৰ বাবেই এনে ভাষাৰ প্ৰয়োগ ঘটে বুলি ধাৰণা হয়।

**২.০৭ বিকল্প নামৰ ব্যৱহাৰ ঃ**

অসমীয়া সমাজত প্ৰচলিত ৰীতি অনুসৰি পত্নীয়ে স্বামীৰ নাম ল'ব নাপায়। বৰ্তমান এই ধাৰণা সলনি হৈছে যদিও সংৰক্ষণশীল আৰু বয়সস্থ মহিলাসকলৰ মাজত এই প্ৰথা বৰ্তমানেও চলি আছে। মেৰি হাসে ' Men's and women's speech in Koasti' নামৰ প্ৰবন্ধটোত এই বিষয়ে মন্তব্য আগবঢ়াইছিল এনেদৰে, "..... at the present time only middle aged & elderly women use the women's form, while younger women are now using the forms characteristic of men's speech."(3)

সাধাৰণভাৱে অসমীয়া মহিলাই স্বামীৰ নামৰ সলনি হেৰি, এওঁ, তেখেত, তেওঁ, এখেত আদি শব্দ ব্যৱহাৰ কৰে।

ক) আমাৰ এওঁ বজাৰলৈ গৈছে।

খ) তেখেতে কৈছিল, আজি আপুনি আহিব বুলি।

গ) হেৰি শুনিছেনে? ভাত বাঢ়িছো।

ঘ) আমাৰ এখেত আজি টাউনলৈ যাব।

ইয়াৰ উপৰিও নিজৰ সন্তানৰ নামৰ স'তে সম্পৰ্কযুক্ত কৰিও পত্নীয়ে স্বামীক সম্বোধন

কৰে। যেনে—ছোৱালীৰ বাপেক / ছোৱালীৰ দেউতাক, ল’ৰাৰ বাপেক / দেউতাক, গীতাৰ বাপেক / দেউতাক/ পিতাক আদি।

অসমীয়াৰ বাহিৰেও পৃথিৱীৰ অন্যান্য ভাষাতো মহিলাসকলে এনে ধৰণৰ কিছুমান বিকল্প নামৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। কিন্তু, পুৰুষে এনে বিকল্প নামৰ সহায় লোৱা দেখা নাযায়।

**২.০৮ গালি-শপনিসূচক শব্দ ঃ**

‘বলা যায়, গালিৰ অভিনৱত্ব মেয়েদের ভাষার এক নিজস্ব সম্পদ’ (বসুদত্ত, ৫৭)। পুৰুষে ব্যৱহাৰ কৰা গালিবোৰ সাধাৰণতে মহিলাই ব্যৱহাৰ নকৰে। মহিলাসকলে নিজৰ মাজতে কিছুমান পৃথক গালি-শপনি ব্যৱহাৰ কৰে। ঠাই বিশেষে সমাজ বিশেষে এই গালি-শপনিবোৰ বেলেগ বেলেগ হয়। উল্লেখযোগ্য যে মহিলাসকলে কেতিয়াও পুৰুষৰ সন্মুখত গালিসূচক শব্দৰ ব্যৱহাৰ নকৰিছিল। বৰ্তমান সময়ত এই ক্ষেত্ৰত পৰিৱৰ্তন আহিছে বুলি ক’ব পাৰি।

**২.০৯ নিষিদ্ধ শব্দ ঃ**

মহিলাসকলৰ ভাষাত Taboo বা নিষিদ্ধ শব্দবোৰৰ এক বিশেষ স্থান আছে। উদাহৰণস্বৰূপে— উজনি অসমৰ কথিত ভাষাত মহিলাসকলে ৰাতি বিয়লি ‘সাপ’ক দীঘল বুলি কয়। নামনি অসমৰ কথিত ভাষাত আকৌ সন্ধিয়া বা ৰাতি হ’লে ‘সাপ’ক ‘আস্তিক’ বুলি কয়। ঠিক তেনেদৰে অসমীয়া নাৰীসকলে ‘চূণ’ক ‘বগা’ বুলি কয়। অসমীয়া সমাজৰ পৰম্পৰা মতে ভাই শহুৰক ভাই বোৱাৰীয়ে নাম কাঢ়ি মাতিব নোৱাৰে। সেইদৰে শহুৰৰ নাম লোৱাৰ পৰাও অসমীয়া নাৰীসকল বিৰত থাকে।

**২.১০ প্ৰবাদ ঃ**

পুৰুষতকৈ মহিলাৰ ভাষাত ব্যঙ্গ বা বিদ্ৰূপৰ প্ৰৱণতা বেছি—এই কথা সুকুমাৰ সেনে বিশেষভাৱে লক্ষ্য কৰিছিল। এই ব্যংগৰ বাবেই মহিলাৰ ভাষাত প্ৰবাদ, প্ৰবচন, জতুৱা শব্দ আদিৰ ব্যৱহাৰ বেছি। অসমীয়া ভাষালৈ লক্ষ্য কৰিলেও দেখা যায় যে বিভিন্ন প্ৰবাদ, প্ৰবচন, জতুৱা শব্দ আদি মহিলাসকলৰ ভাষাতহে হৈছে। বিশেষকৈ গ্ৰাম্য অঞ্চলৰ মহিলাসকলে কথাই কথাই এনে প্ৰবাদ প্ৰবচন আৰু জতুৱা শব্দবোৰ ব্যৱহাৰ কৰে।

**২.১১ শ্ৰুতিমাধুৰ্যৰ প্ৰতি গুৰুত্ব ঃ**

মহিলা আৰু পুৰুষৰ মাজৰ ভাষাত ই এক অতি লক্ষণীয় পাৰ্থক্য। মহিলাই পুৰুষতকৈ বেছি কোমল আৰু শুনিবলৈ শুৱলা হোৱাকৈ কথা কয়। উদাহৰণস্বৰূপে—

'শুনক, আপোনাক ভিতৰলৈ মাতিছে।'

'শুনকচোন। আপোনাক মায়ে ভিতৰলৈ মাতি আছে।'

দুয়োটা বাক্য সাধাৰণভাৱে চালেই বুজি পোৱা যায় যে দ্বিতীয় বাক্যটো এগৰাকী মহিলাৰ আৰু প্ৰথম বাক্যটো এজন পুৰুষৰ। মহিলাই সাধাৰণতে পুৰুষতকৈ বেছি বৰ্ণনা কৰে। পুৰুষে চুটি আৰু সাধাৰণভাৱে কোনো এটা কথা বৰ্ণনা কৰাৰ বিপৰীতে মহিলাই পুংখানুপুংখভাৱে বৰ্ণনা কৰি কথা ক'বলৈ ভাল পায়।

গ্ৰাম্য সমাজত মহিলাসকলে এতিয়াও শৌচ-প্ৰস্ৰাৱ কৰিবলৈ যোৱা কাৰ্যক 'গা তিয়াবলৈ যাওঁ', 'বাহিৰ ফুৰিবলৈ যাওঁ' আদি ধৰণে সাংকেতিক ভাষাত কয়। এনে সৰু সুৰা কথাবোৰৰ পৰাই বুজিব পাৰি যে, মহিলাসকলে শুনাত শুৱলা হোৱাকৈ মনৰ ভাৱ প্ৰকাশ কৰে।

**২.১২ গোপন শব্দ, সাংকেতিক ভাষাৰ ব্যৱহাৰ ঃ**

কিছুমান কথা মহিলাই পুৰুষৰ সন্মুখত সমজুৱাভাৱে ক'বলৈ দ্বিধা অনুভৱ কৰে। তেনে কথাত সাংকেতিক ভাষা ব্যৱহাৰৰ জৰিয়তে এগৰাকী মহিলাই আন গৰাকীৰ লগত কথা পাতে বা মনৰ ভাৱ প্ৰকাশ কৰে। প্ৰত্যেক সমাজতে এনে সাংকেতিক ভাষাৰ প্ৰচলন দেখা যায়। লাহে লাহে আধুনিক সমাজত অৱশ্যে এই ভাষাসমূহৰ ব্যৱহাৰ কমি আহিছে। উদাহৰণস্বৰূপে—অসমীয়া সমাজত মহিলাই মাহেকীয়া সম্পৰ্কীয় প্ৰশ্ন কৰিবলৈ হ'লে এনেদৰে কয়—

**২.১২.১ নামনি অসমৰ কথিত ভাষাত—**

কাষাৰ হ/চুআ হ/লাৰ্‌বা নৰা হ (মাহেকীয়া হোৱা)

গা বন্দি হ/গা নুধ/পেট হ (গৰ্ভৱতী হোৱা)

হাত-ভৰি ধুবা যাঅ (ক্ষুদ্ৰ শৌচ কৰিবলৈ যোৱা)

মুখ-হাত ধুবা যাঅ (শৌচ কৰিবলৈ যোৱা)

বঙহ খেদ (গৰ্ভপাত হোৱা)

**২.১২.২ উজনি অসমৰ কথিত ভাষাত—**

গা ধোৱা নাই/গাত লেঠা/লেঠা লাগিলে (গৰ্ভধাৰণ কৰা)

চুৱা হ/অসুবিধা হ/পাগৰ বাহিৰ হ/চুব নোৱাৰা হ (মাহেকীয়া হোৱা)

বাহিৰ ফুৰিবলে যা/গা তিয়াবলে যা (শৌচ কৰিবলৈ যোৱা)

সৰুপানী চুব যা (ক্ষুদ্র শৌচ কৰিবলৈ যোৱা)

গুচিলে (গৰ্ভপাত হোৱা)।

পৃথিৱীৰ সকলো ভাষাতে নাৰী আৰু পুৰুষৰ মাজত লিংগভিত্তিক ভাষিক পাৰ্থক্য পৰিলক্ষিত হয়। 'সুকুমার সেন যেমন বাংলায় একটি স্বতন্ত্র নারীর ভাষার অস্তিত্ব স্বীকার করে নিয়েছেন, রবিন লেকফ্‌ও তেমনি ইংরেজির ক্ষেত্রে সার্বিক ভাবে একটি 'নারীর ভাষা'র অস্তিত্বকে স্বীকার করেছেন। (বসুদত্ত ৪৭)

## প্রসংগসূচী ঃ

১। Lakoff, Robin : Language and Woman's Place, 1975 , p.2

২।বসুদত্ত, শর্মিলা ঃ বাংলায় মেয়েদের ভাষা, ২০০০, কলকাতা, পৃ. ৫৭

৩। উক্ত গ্রন্থ, পৃ.৪৭